**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-01-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে গ্ৰন্থাগাৰক সামাজিক পৰিৱৰ্তনৰ আহিলা বুলি অভিহিত কৰিছে।

২। ডাক বিভাগে সমগ্ৰ দেশত ৮৮৭ টা এ টি এম সক্ৰিয় কৰি ইয়াৰ এ টি এম আন্তঃগাঁথনি সুদৃঢ় কৰি তুলিছে।

৩। কেন্দ্ৰীয় চৰকাৰে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে অসমৰ গ্ৰাম্য স্থানীয় নিকায়সমূহলৈ পঞ্চদশ বিত্ত আয়োগৰ অধীনত অনিৰ্ধাৰিত অনুদান হিচাপে ২১৩ কোটি ৯০ লাখ টকা মোকলাই দিছে।

৪। পাকিস্তানৰ কৰাচীৰ এটা শ্বপিং প্লাজাত হোৱা অগ্নি কাণ্ডত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ২৮লৈ বৃদ্ধি পাইছে।

*আৰু*

৫। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত ডেলহি কেপিটেলছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি নতুন দিল্লীত মহাদেৱ দেশাই সম্প্ৰসাৰিত গ্ৰন্থাগাৰ মুকলি কৰাৰ লগতে AGE OF ENLIGHTMENT.. MAHATMA GANDHI’S VISION শীৰ্ষক এখন গ্ৰন্থও উন্মোচন কৰে। উপ-ৰাষ্ট্ৰপতিয়ে নতুন দিল্লীৰ গান্ধী আশ্ৰমত থকা হৰিজন সেৱক সংঘলৈ যোৱাৰ সময়তে এই গ্ৰন্থখন উন্মোচন কৰে। শ্ৰীৰাধাকৃষ্ণণে আশ্ৰমত থকা কস্তুৰবা সংগ্ৰহালয়ো পৰিদৰ্শন কৰে। এই স্থানতে ১৯৩০-১৯৪০ চনৰ সময়ছোৱাত মহাত্মা গান্ধী আৰু তেওঁৰ পত্নী কস্তুৰবা গান্ধীয়ে বাস কৰিছিল। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণণে কয়, যে গ্ৰন্থাগাৰ হৈছে সামাজিক পৰিৱৰ্তনৰ এটা আহিলা। তেওঁ লগতে কয়, যে জ্ঞানে চৰিত্ৰ গঠনত সহায় কৰাৰ লগতে সামাজিক দায়বদ্ধতাৰ মানসিকতা গঢ়ি তোলে। সমাজলৈ আগবঢ়াই অহা সেৱাৰ বাবে তেওঁ হৰিজন সেৱক সংঘৰ ভূমিকাৰ শলাগ লয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ বস্ত্ৰ খণ্ডৰ উত্থানৰ বিষয়ে আলোকপাত কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী গিৰিৰাজ সিঙে এখন দৈনিক বাতৰি কাকতৰ বাবে লিখা এটা প্ৰৱন্ধ সামাজিক মাধ্যমযোগে শ্বেয়াৰ কৰি শ্ৰীমোদীয়ে আজি কয়, যে শেহতীয়া কেইটামান বছৰত পাৰম্পৰিক, ঐতিহাসিক উদ্যোগৰ পৰা সৱল, কৰ্ম-সংস্থাপন সৃষ্টিকাৰী আৰু জনসাধাৰণকেন্দ্ৰিক বিকাশৰ চালিকা শক্তিৰূপে বস্ত্ৰ খণ্ডৰ উত্থান ঘটিছে। খণ্ডটোৱে ঘৰুৱা উৎপাদন বৃদ্ধি কৰি আত্ম-নিৰ্ভৰশীল ভাৰতৰ প্ৰকৃত ভাৱনাক প্ৰতিফলিত কৰা বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে কয়,

যে প্ৰধানমন্ত্ৰী মিত্ৰ উদ্যান, উৎপাদন আধাৰিত উদগনি আঁচনি আৰু নতুনকৈ সম্পাদিত মুক্ত বাণিজ্য চুক্তিসমূহৰ দৰে পদক্ষেপসমূহে বস্ত্ৰ খণ্ডৰ বিকাশ ত্বৰান্বিত কৰা বুলি গিৰিৰাজ সিঙৰ প্ৰৱন্ধটোত উল্লেখ কৰা হৈছে।

০০০০০

ডাক বিভাগে সমগ্ৰ দেশত ৮৮৭ টা এ টি এম সক্ৰিয় কৰি ইয়াৰ এ টি এম আন্তঃগাঁথনি সুদৃঢ় কৰি তুলিছে। যোগাযোগ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই এ টি এমসমূহৰ জৰিয়তে উপভোক্তাসকলে নগদ ধন উলিয়াব পাৰিব, একাউণ্টত জমা থকা ধন পৰীক্ষা কৰিব পাৰিব আৰু অন্য বুনিয়াদী লেন-দেন কৰিব পাৰিব। এই পদক্ষেপে বিশেষকৈ গ্ৰামাঞ্চল আৰু দূৰণিবটীয়া এলেকাৰ জনসাধাৰণক উপকৃত কৰিব। এই ব্যৱস্থাই ডিজিটেল পৰিৱৰ্তনৰ মাধ্যমেৰে বিত্ত ব্যৱস্থাত সকলো লোককে সাঙুৰি লোৱাৰ চৰকাৰী দৃষ্টিভংগীক প্ৰতিফলিত কৰে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে অসমৰ গ্ৰাম্য স্থানীয় নিকায়সমূহলৈ পঞ্চদশ বিত্ত আয়োগৰ অধীনত অনিৰ্ধাৰিত অনুদান হিচাপে ২১৩ কোটি ৯০ লাখ টকা মোকলাই দিছে। পঞ্চায়তীৰাজ মন্ত্ৰালয়ে আজি প্ৰকাশ কৰা মতে, এই ধনৰাশি চলিত বিত্তীয় বৰ্ষৰ প্ৰথম কিস্তি হিচাপে মোকলাই দিয়া হৈছে। অসমৰ দুহেজাৰ ১৯২ খন গাঁও পঞ্চায়ত, ১৮২ খন খণ্ড পঞ্চায়ত আৰু ২৭ খন জিলা পৰিষদৰ বাবে এই ধনৰাশি মোকলাই দিয়া হৈছে বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে।

০০০০০

সমগ্ৰ দেশৰ স্থানীয় শিল্প নৈপুণ্যতাক উদগনি যোগোৱা আৰু দীৰ্ঘস্থায়ী জীৱিকাৰ সুযোগ সৃষ্টিৰ ক্ষেত্ৰত ভাৰতীয় ৰে'ল বিভাগৰ **এটা ষ্টেচন-এবিধ সামগ্ৰী** চমুকৈ অ' এছ অ' পি আঁচনি গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে। ৰে'ল মন্ত্ৰালয়ে জনোৱা মতে, দুহেজাৰতকৈ অধিক ৰে'ল ষ্টেচনত ৰূপায়ণ কৰা এই আঁচনিৰ জৰিয়তে লাভ কৰা প্ৰত্যক্ষ বজাৰে ১ লাখ ৩২ হাজাৰতকৈ অধিক শিল্পী, শিপিনী আৰু ক্ষুদ্ৰ ব্যৱসায়ীক লাভান্বিত কৰিছে। মন্ত্ৰালয়ে লগতে কয়. যে বাণিজ্যক সংস্কৃতিৰ সৈতে একত্ৰিত কৰি ৰে'ল বিভাগে ষ্টেচনসমূহক স্থানীয় উদ্যোগ কেন্দ্ৰলৈ পৰিৱৰ্তিত কৰিছে। **এটা ষ্টেচন-এবিধ সামগ্ৰী** উদ্যমে সম্প্ৰদায়সমূহৰ সৱলীকৰণ আৰু দেশৰ চহকী পৰম্পৰাগত হস্তশিল্পৰ সংৰক্ষণৰ জৰিয়তে ভোকেল ফৰ লোকেল দৃষ্টিভংগীক প্ৰতিফলিত কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰীৰ সক্ৰিয় প্ৰশাসন আৰু সময় নিৰ্ধাৰিত ৰূপায়ণৰ ধ্বজাবাহী মঞ্চ প্ৰগতিয়ে ৫০ সংখ্যক বৈঠকৰ সফল আয়োজনেৰে গুৰুত্বপূৰ্ণ সাফল্য অৰ্জন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৫ চনত আৰম্ভ কৰাৰে পৰা এই মঞ্চই প্ৰধানমন্ত্ৰীৰ পোনপটীয়া পৰ্যবেক্ষণৰ মাধ্যমেৰে গুৰুত্বপূৰ্ণ আন্তঃগাথনি প্ৰকল্প আৰু জনসাধাৰণৰ ওজৰ আপত্তিৰ বাস্তৱিক নিৰীক্ষণ তথা সমাধান সম্ভৱ কৰি তুলি শাসন ব্যৱস্থাত আমূল পৰিবৰ্তন সাধন কৰিছে। এই মঞ্চ সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদৰ নিদৰ্শনৰূপে পৰিগণিত হৈছে। এই মঞ্চই কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয়ক ডিজিটেলভাৱে সংযুক্ত কৰিছে। এক দশকৰ অধিক সময়ৰ ভিতৰত প্ৰগতি মঞ্চই সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰা, গুৰুত্বপূৰ্ণ আন্তঃগাথনি প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত দেখা দিয়া বাধাসমূহ দূৰ

কৰা আৰু দায়বদ্ধতাৰ শক্তিশালী সংস্কৃতিৰ প্ৰসাৰত সহায় কৰিছে। ই অকল নিৰীক্ষণৰ দিশৰ পৰাই নহয়, বৰং শাসন ব্যৱস্থাৰ সংস্কাৰৰ দিশৰ পৰাও এখন গুৰুত্বপূৰ্ণ মঞ্চৰূপে পৰিগণিত হৈছে।

এই বিশেষ শৃংখলাত আজি আমি লামডিং-শিলচৰ ব্ৰডগজ ৰূপান্তৰ প্ৰকল্পৰ বিষয়ে আলোকপাত কৰিবলৈ ওলাইছো।

দক্ষিণ অসমৰ মাজেৰে পাৰ হৈ যোৱা আৰু পাৰ্বত্য ৰাজ্য ত্ৰিপুৰা, মণিপুৰ আৰু মিজোৰামৰ সৈতে আৱশ্যকীয় ৰেল যোগাযোগ নিশ্চিত কৰা লামডিং-শিলচৰ ব্ৰডগজ ৰেলপথ কৌশলগত দিশৰ পৰা অতিকৈ গুৰুত্বপূৰ্ণ। খাদ্য সামগ্ৰী, সাৰ, পেট্ৰলজাত সামগ্ৰী, নিৰ্মাণ সামগ্ৰী আৰু অন্য অত্যাৱশ্যকীয় সামগ্ৰীৰ পৰিবহণেৰে এই ৰেলপথ অঞ্চলটোৰ বাবে জীৱন ৰেখা ৰূপে পৰিগণিত হৈছে। ১৯৯৬-৯৭ চনত লামডিং-শিলচৰ গজ ৰূপান্তৰ প্ৰকল্পত অনুমোদন দিয়া হৈছিল আৰু ২০04 চনত এই প্ৰকল্প, ৰাষ্ট্ৰীয় প্ৰকল্প হিচাপে ঘোষণা কৰা হৈছিল। পথছোৱা গুৰুত্বপূৰ্ণ হোৱা সত্বেও ব্যাহত পুঁজি যোগান, ভৌগোলিক জটিলতা আৰু সন্ত্ৰাসবাদৰ বাবে ২০০৬ৰ পৰা ২০০৯চনলৈ প্ৰাৰম্ভিক অৱস্থাত এই প্ৰকল্প ৰূপায়ণত যথেষ্ট জটিলতা দেখা দিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৫ চনৰ ২৫ মাৰ্চত প্ৰগতি ব্যৱস্থাৰ অধীনত এই প্ৰকল্পৰ পৰ্যালোচনা চলায় আৰু প্ৰধানমন্ত্ৰীৰ দিক নিৰ্দেশনাত এই প্ৰকল্পই অধিক গুৰুত্ব লাভ কৰিবলৈ ধৰে। ২০১৫ চনত ব্ৰডগজলৈ ৰূপান্তৰৰ কাম সম্পূৰ্ণ হোৱাৰ পাছত মালগাড়ী ৰেলৰ চলাচলেৰে এই প্ৰকল্পৰ প্ৰথম পৰ্যায় সম্পূৰ্ণ হয়। ইয়াৰ কিছুদিনৰ পাছতে পথছোৱাৰে যাত্ৰীবাহী ৰেলগাড়ীৰো চলাচল হয়। ২০১৭ চনৰ পহিলা মাৰ্চত প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ কাম সম্পূৰ্ণ হোৱাৰ পাছত পথছোৱাৰে ৰেল চলাচল আৰম্ভ হয়। ইয়াৰ লগে লগে বৰাক উপত্যকা আৰু উত্তৰ-পূৰ্বাঞ্চলৰ চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে ব্ৰডগজ ৰেল যোগাযোগ সম্ভৱ হৈ উঠে। এই প্ৰকল্পই প্ৰগতিৰ মাধ্যমেৰে উচ্চ পৰ্যায়ৰ নিৰীক্ষণৰ প্ৰভাৱ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ সামগ্ৰিক উন্নয়ন তথা যোগাযোগ উন্নীতকৰণৰ প্ৰতি চৰকাৰৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতাক সূচায়।

ooooo

পাকিস্তানৰ কৰাচীৰ এটা শ্বপিং প্লাজাত হোৱা অগ্নি কাণ্ডত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ২৮লৈ বৃদ্ধি পাইছে আৰু এই ঘটনাৰ পাছৰ পৰা ৮০ জন লোক সন্ধানহীন হৈ আছে। আৰক্ষী শল্য চিকিৎসক চুম্মেয়া চৈয়দে শনিবাৰে নিশাৰে পৰা বৰ্তমানলৈ ২৮ টা মৃতদেহ জিন্না আৰু অসামৰিক চিকিৎসালয়সমূহলৈ অনা হৈছে বুলি জানিবলৈ দিছে। তেওঁ কয়, যে পুৰণি অট্টালিকাটোৰ ধ্বংসস্তুপৰ মাজত উদ্ধাৰ অভিযান অব্যাহত আছে। তেওঁ লগতে কয়, যে বৰ্তমানলৈকে ১৮ টা মৃতদেহ চিনাক্ত কৰা হৈছে আৰু অন্য মৃতদেহকেইটাৰ পৰিচয় নিশ্চিত কৰাৰ বাবে ডি এন এ পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছে। শনিবাৰে শ্বপিং প্লাজাটোৰ একেবাৰে তলৰ মহলাত থকা এখন দোকানত অগ্নিকাণ্ডৰ সূত্ৰপাত হয় আৰু চকুৰ পচাৰতে গোটেই অট্টালিকাটোলৈ জুই সম্প্ৰসাৰিত হয়। অট্টালিকাটোৰ অৱস্থা বেয়া হোৱাৰ বাবে উদ্ধাৰ অভিযানত বিলম্ব হোৱা বুলি বিষয়াসকলে জানিবলৈ দিছে। শ্বপিং মলটোত প্ৰায় এহেজাৰ দুশখন দোকান আছিল বুলি জানিব পৰা গৈছে।

ooooo

মহিলা প্ৰিমিয়াৰ লীগ ডব্লিউ পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত বডোডৰাৰ কোটাম্বী ষ্টেডিয়ামত হ'বলগীয়া লীগ পৰ্যায়ৰ এখন খেলত ডেলহি কেপিটেলছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে গুজৰাট জায়েণ্টছক ৬১ ৰাণত পৰাস্ত

কৰে। ৰয়েল চেলেঞ্জাৰ্ছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ১৭৮ ৰাণ কৰে। দলৰ হৈ গৌতমী নায়কে সৰ্বাধিক ৭৩ ৰাণ কৰে। প্ৰত্যুত্তৰত গুজৰাট জায়েণ্টছে নিৰ্ধাৰিত অভাৰত ৮টা উইকেট হেৰুৱাই ১১৭ ৰাণহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ এছ্‌লে গাৰ্ডনাৰে সৰ্বাধিক ৫৪ ৰাণ কৰে। গৌতমী নায়কক প্লেয়াৰ অব দা মেচ হিচাপে ঘোষণা কৰা হয়।

উল্লেখযোগ্য যে ২০২৬ বৰ্ষৰ ডব্লিউ পি এল প্ৰতিযোগিতা এইবেলি দুখন মহানগৰীত খেলোৱা হৈছে। নৱী মুম্বাইত অনুষ্ঠিত প্ৰতিযোগিতাত প্ৰথম পৰ্যায়ৰ খেলৰ সামৰণিত অংশগ্ৰহণকাৰী পাঁচোটা দলেই দ্বিতীয় পৰ্যায়ৰ বাবে সম্প্ৰতি গুজৰাটত উপস্থিত হৈছেগৈ।

ooooo

সমাপ্ত